অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : তাৰিখ :
*Ref :* *Date :*

# Bishnu Rabha Divas Observed at the Premises of Assam Jatiya Bidyalay, Noonmati, Guwahati

**Guwahati, 20 June, 2019 :** Bishu Rabha divas was observed today in the open stage of Assam Jatiya Bidyalay Noonmati on the occasion of 50th death anniversary of the 'Kalaguru'. The programme was begun with a recitation performed by some of the students of the school under the guidance of senior teacher Mrs. Juthika Patowary. After this the ceremonial lamp was lighted by the Academic Officer of the school Mr. Narendra Mohan Goswami. Floral tribute was also offered in front of the portrait of Bishnu Prasad Rabha. In the same programme the students and staff paid homage to former academic director of the school Late Krishna Kumar Bora and former student of the school Late Raktabh Dutta Choudhury on their death anniversary today. This was followed by a chorus performed by some of the students on a Bishnu Rabha song. The significance of the day was conveyed to the audience by Anouska Priyam, a student of class XII. Noted singer of Assam Mr. Pankaj Bordoloi was present as the chief guest. He was felicitated by the school authority. On his speech he dwelt on the works of the revolutionary figure of Assam, Bishnu Prasad Rabha. He called for a regular practice and analysis of the 'Jyoti Sangeet' and 'Bishnu Rabha Sangeet' among the students of today's generation and also appealed to them not to sway themselves by the so called modern trend of music forgetting their root in the soil. He performed some of the evergreen songs of Bishnu Prasad Rabha. Khyati Trishna Das (Class VI), Chayanika Sarma and Trishna Deka (Class IX) performed solo songs in the programme. A wall magazine named 'Kakator Topola' was uncovered by the Rector of the school Mr. Ranjit Narayan Deka on this occasion. This was followed by a beautiful group dance presented by some of the students. Senior teacher of the school Mrs. Juri Goswami delivered a speech illuminating the multifarious life experiences of the legendary figure and the impact of the same on his classic songs and poems. Jyotismita Kaushik and Dikam Baishya, students of class XII presented a beautiful duet. The programme, where the members of the school management committee and all the teaching and non-teaching staff, students and other guests were present, came to an end with the offering of the vote of thanks by the principal of the school Mr. Ghanashyam Medhi. Anindita Gogoi(class IX) and Srizon Baruah (class VIII) anchored the programme. The convenor of the whole programme was Trishna Kalita, a senior teacher of the school.

Ghanashyam Medhi

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati-781020

অসম জাতীয় বিদ্যালয়

Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০

Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : তাৰিখ :

*Ref :* *Date :*

# অসম জাতীয় বিদ্যালয়ত বিষ্ণু ৰাভা দিৱস উদ্‌যাপন

**গুৱাহাটী, ২০ জুন, ২০১৯ :** কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মৃত্যু দিৱস আজি ৰাজ্যৰ অন্যান্য প্ৰান্তৰ লগতে গুৱাহাটীৰ অসম জাতীয় বিদ্যালয়তো 'বিষ্ণু ৰাভা দিৱস' হিচাপে উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ চৌহদত দিনৰ ৯:৪৫ বজাৰ পৰা অনুষ্ঠিত এই কাৰ্যসূচীৰ আৰম্ভণিতে বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী যুথিকা পাটোৱাৰীৰ পৰিচালনাত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে কলাগুৰুৰ এটি কবিতা আবৃত্তি কৰে। এই কবিতা আবৃত্তি অনুষ্ঠানেৰে 'বিষ্ণু ৰাভা দিৱস'ৰ কাৰ্যসূচীৰ শুভাৰম্ভ ঘটে। ইয়াৰ পিছতে কলাগুৰুৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে বিদ্যালয়ৰ শৈক্ষিক বিষয়া নৰেন্দ্ৰ মোহন গোস্বামীয়ে। এই অনুষ্ঠানতে আজিৰ দিনটোত মৃত্যু হোৱা অসম জাতীয় বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক কৃষ্ণ কুমাৰ বৰা আৰু প্ৰাক্তন শিক্ষাৰ্থী ৰক্তাভ দত্ত চৌধুৰীৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধি আৰু জ্যেষ্ঠা শিক্ষয়িত্ৰী উদয়া ফুকনে। লগতে বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। বিদ্যালয়ৰ সংগীত বিষয়ৰ শিক্ষয়িত্ৰী বৰ্ণালী দাসৰ পৰিচালনাত একাংশ শিক্ষাৰ্থীয়ে বিষ্ণু ৰাভাৰ সৃষ্টিৰে সমদলীয় গীত পৰিৱেশন কৰাৰ পাছতে দ্বাদশ শ্ৰেণীৰ ছাত্ৰী অনুষ্কা প্ৰিয়মে দিৱসৰ তাৎপৰ্য ব্যাখ্যা কৰে। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বিশিষ্ট সংগীত শিল্পী পংকজ বৰদলৈ। আজিৰ সময়ত জ্যোতিপ্ৰসাদ আগৰৱালা আৰু বিষ্ণু প্ৰসাদ ৰাভাৰ গীতৰ প্ৰাসংগিকতাৰ বিষয়ে উল্লেখ কৰি বৰদলৈয়ে বৰ্তমানৰ আধুনিক গীতসমূহৰ ধামখুমীয়াতো শিল্পীকেইগৰাকীৰ কালজয়ী গীতসমূহক জীয়াই ৰাখিবলৈ নৱপ্ৰজন্মক আহ্বান জনায়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পীগৰাকীয়ে কলাগুৰুৰ কেইবাটাও কালজয়ী গীত পৰিৱেশন কৰে। এই অনুষ্ঠানতে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলে বিষ্ণু ৰাভাৰ জীৱন আৰু কৃতিৰ আধাৰত প্ৰস্তুত কৰি উলিওৱা প্ৰাচীৰ পত্ৰিকা 'কাকতৰ টোপোলা' উন্মোচন কৰে বিদ্যালয়ৰ ৰেক্টৰ ৰঞ্জিত নাৰায়ণ ডেকাই। বিদ্যালয়ৰ জ্যেষ্ঠা শিক্ষয়িত্ৰী জুৰি গোস্বামীয়ে বিষ্ণু ৰাভাৰ গীতৰ ওপৰত সংক্ষিপ্ত আলোচনা আগবঢ়ায়। অনুষ্ঠানত ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থী খ্যাতি তৃষ্ণা দেৱী, নৱম শ্ৰেণীৰ চয়নিকা শৰ্মা আৰু তৃষ্ণা ডেকাই একক গীত পৰিৱেশন কৰে। বিদ্যালয়ৰ নৃত্য বিভাগৰ শিক্ষয়িত্ৰী উপাসনা মহন্তৰ পৰিচালনাত বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে কলাগুৰুৰ গীতৰ ওপৰত আধাৰিত এটি সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে। দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী ডিকম বৈশ্য আৰু জ্যোতিস্মিতা কৌশিকে এটি দ্বৈত সংগীত পৰিৱেশন কৰে। বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীৰ আঁত ধৰে বিদ্যালয়ৰ নৱম শ্ৰেণীৰ ছাত্ৰী অনিন্দিতা গগৈ আৰু অষ্টম শ্ৰেণীৰ ছাত্ৰ সৃজন বৰুৱাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। 'বিষ্ণু ৰাভা দিৱস'ৰ অনুষ্ঠানৰ আহ্বায়কৰ দায়িত্বত আছিল বিদ্যালয়ৰ গণিত বিভাগৰ শিক্ষয়িত্ৰী তৃষ্ণা কলিতা।

ঘনশ্যাম মেধি


(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০
ফ'ন : ৯৭০৬০২৫১৬৭